# REGIONAL NEWS UNIT

## ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 06-09-2024 **Time :** 0900 Hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। ডিব্ৰুগড়ত আজি মুখ্যমন্ত্ৰীৰ সচিবালয় মুকলি ড° হিমন্ত বিশ্ব শৰ্মাৰ।

২। ৰাজ্য চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ প্ৰাথমিক স্তৰৰ শিক্ষক পদৰ বাবে জনোৱা আবেদনৰ সৈতে সংলগ্ন নথি-পত্ৰ পৰীক্ষাৰ কাম আজি আৰম্ভ।

৩। এণ্ড্ৰিউ ইউল এণ্ড কোম্পানীৰ অধীনস্থ চাহ বাগিচাসমূহৰ অচলাৱস্থা দূৰীকৰণৰ বাবে ৰাজ্য চৰকাৰৰ ব্যৱস্থা গ্ৰহণ।

৪। ৰাজ্যত অহা ২ অক্টোবৰৰ পৰা ৩৯ খন উপ-জিলা কাৰ্যকৰী হৈ উঠিব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

*আৰু*

৫। পেৰিছ পেৰালিম্পিকৰ পুৰুষৰ পেৰা জুডোৰ জে ওৱান শিতানৰ ৬০ কিলোগ্ৰাম ওজন শাখাত ভাৰতৰ কপিল পৰমাৰৰ ব্ৰঞ্জৰ পদক অৰ্জন।

0000000

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ সচিবালয় মুকলি কৰিব। এই সচিবালয় চাৰি দিনৰ বাবে মুকলি থাকিব। উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা আৰু ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনো উপস্থিত থাকিব। এই সচিবালয়ে উজনি অসমৰ ডিব্ৰুগড়, তিনিচুকীয়া, লখিমপুৰ, ধেমাজি, শিৱসাগৰ, চৰাইদেউ, মাজুলী, যোৰহাট আৰু গোলাঘাট জিলাৰ প্ৰায় ৭৯ লাখ লোকৰ সৈতে প্ৰশাসনৰ সংযোগ বৃদ্ধি কৰিব আৰু ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ আঁচনি তথা প্ৰকল্পৰ ধাৰাবাহিক নিৰীক্ষণ আৰু স্থানীয় উন্নয়ন ত্বৰান্বিত কৰাত সহায় কৰিব। ইয়াৰ ফলত উজনি অসমৰ জনসাধাৰণে দিছপুৰলৈ নহাকৈ বিভিন্ন বিষয় ডিব্ৰুগড় সচিবালয়তে নিষ্পত্তি কৰিব পাৰিব। এই নতুন ব্যৱস্থাৰ অধীনত সময়ে সময়ে উজনি অসমৰ বিভিন্ন জিলাৰ চৰকাৰী বিভাগসমূহৰ কাম-কাজৰ পৰ্যালোচনাৰ লগতে উন্নয়নমূলক কামৰ বাবে অনুষ্ঠান আৰু সংস্থাসমূহৰ সৈতে সমন্বয় স্থাপন সম্ভৱপৰ হৈ উঠিব। একেদৰে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ সৈতে সমন্বয় সম্পৰ্কীয় সভা অনুষ্ঠিত কৰাৰ লগতে জনসাধাৰণক পোনপটীয়াকৈ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ প্ৰশাসনিক সেৱা আগবঢ়োৱা পৰা হ'ব।

ডিব্ৰুগড়ৰ মাইজানস্থিত ৰাজ্যিক জলসম্পদ বিভাগৰ অতিথিশালাত আজি পুৱা ১০ বজাত নতুন সচিবালয়টোৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে ৰাজধানীৰ বাহিৰত এইটোৱেই হ'ব ৰাজ্যৰ প্ৰথমটো সচিবালয়।

00000000

অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০টা শিক্ষক পদৰ বাবে আবেদনকাৰী প্ৰাৰ্থীৰ নথিপত্ৰ পৰীক্ষণ প্ৰক্ৰিয়া আজি আৰম্ভ কৰিব। সেই অনুসৰি পদসমূহৰ বিপৰীতে সাংস্কৃতিক, ক্ৰীড়া, এন চি চিৰ দৰে পাঠ্যক্ৰম বহিৰ্ভূত কাৰ্যকলাপৰে জড়িত থকাৰ প্ৰমাণ-পত্ৰৰে শিক্ষক পদৰ বাবে আবেদন কৰা প্ৰাৰ্থীসকলক আজি পুৱা চাৰে ১১ বজাত কাহিলীপাৰাত অৱস্থিত প্ৰাথমিক শিক্ষা

সঞ্চালকালয়ৰ প্ৰেক্ষাগৃহত আৰম্ভ হ'বলগীয়া পৰীক্ষণ প্ৰক্ৰিয়াত উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। বিয়লি চাৰে ৫ বজালৈ এই নথিপত্ৰ পৰীক্ষণ প্ৰক্ৰিয়া চলিব। প্ৰাপ্ত তথ্য অনুসৰি ৫ হাজাৰ ৫৫০টা পদৰ বিপৰীতে সাংস্কৃতিক ক্ষেত্ৰত এহেজাৰ ৩১জনে, ক্ৰীড়াৰ ক্ষেত্ৰত ৪৭০জনে, এন চি চিৰ ক্ষেত্ৰত ৩৫৫জনে আবেদন জনাইছে। উল্লেখযোগ্য যে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে প্ৰকাশ কৰা ৫ হাজাৰ ৫৫০টা পদৰ ভিতৰত ৩ হাজাৰ ৮০০টা পদ হৈছে নিম্ন প্ৰাথমিক শিক্ষকৰ আৰু এহেজাৰ ৭৫০টা পদ হৈছে উচ্চ প্ৰাথমিক শিক্ষকৰ। ইপিনে, বিজ্ঞাপন অনুসৰি পাঠ্যক্ৰম বহিৰ্ভূত কাৰ্যকলাপৰে জড়িত থকাৰ প্ৰমাণপত্ৰসহ শিক্ষক পদৰ বাবে আবেদন কৰা প্ৰাৰ্থীয়ে সৰ্বাধিক ৫ নম্বৰ লাভ কৰিব বুলি শিক্ষা সঞ্চালকালয়ে জানিবলৈ দিছে।

উল্লেখযোগ্য যে এই পদসমূহৰ বাবে যোৱা বছৰৰ ২৬ ডিচেম্বৰত প্ৰকাশিত বিজ্ঞাপনৰ ভিত্তিত প্ৰাৰ্থীসকলে আবেদন দাখিল কৰিছিল। ৰাজ্য চৰকাৰে ঘোষণা কৰা ১ লাখ নিযুক্তিৰ অংশ হিচাপে এই পদসমূহ পূৰণৰ বাবে আবেদন গ্ৰহণৰ প্ৰক্ৰিয়া চলিত বৰ্ষৰ ২ জানুৱাৰীত আৰম্ভ হোৱাৰ পাছত আজিৰেপৰা আবেদনকাৰী প্ৰাৰ্থীসকলৰ নথি-পত্ৰসমূহ পৰীক্ষা কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰিছে।

oooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি ড০ ভূপেন হাজৰিকাৰ সেঁতুত সৌৰচালিত আলোক প্ৰণালী প্ৰকল্প উদ্বোধন কৰে। ৫৫ কোটি ৮৪ লাখ টকা ব্যয় সাপেক্ষে এই প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠিছে। উদ্বোধনী অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই সৌৰশক্তি উৎপাদনৰ বাবে উৎপাদন কেন্দ্ৰত এহেজাৰতকৈও অধিক সৌৰ শক্তি পেনেল স্থাপন কৰা হৈছে আৰু ইয়াৰ জৰিয়তে দৈনিক ৭০০ কিলোৱাট শক্তি উৎপাদনৰ ব্যৱস্থা কৰা হৈছে।

oooooooo

কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড়ৰ সাংসদ সৰ্বানন্দ সোণোৱাল পুনৰ অসম অলিম্পিক সন্থাৰ সভাপতিৰ পদত অধিষ্ঠিত হোৱাটো প্ৰায় নিশ্চিত হৈছে। সম্প্ৰতি সংস্থাটোৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সোণোৱালে কালি গুৱাহাটীৰ আৰ জি বৰুৱা ক্ৰীড়া প্ৰকল্পত থকা অসম অলিম্পিক সন্থাৰ নিৰ্বাচনী কাৰ্যালয়ত এই পদৰ একমাত্ৰ প্ৰাৰ্থী হিচাপে মনোনয়ন পত্ৰ দাখিল কৰে। তেওঁৰ হৈ চৰাইদেউ জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক হীৰেণ গগৈয়ে এই মনোনয়ন পত্ৰ দাখিল কৰে। কাইলৈ মনোনয়নৰ বৈধতা পৰীক্ষা কৰাৰ লগতে আটাইবোৰ পদৰ বৈধ প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰা হ'ব। অহা ৯ ছেপ্তেম্বৰ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰাৰ লগতে ১০ তাৰিখে প্ৰাৰ্থীৰ চূড়ান্ত তালিকা ঘোষণা কৰা হ'ব। পৰৱৰ্তী পৰ্যায়ত ২২ ছেপ্তেম্বৰৰ দিনৰ ১১ বজাৰ পৰা ৩ বজালৈ সন্থাৰ ডিব্ৰুগড় জিলা কাৰ্যালয়ত ভোটগ্ৰহণ কৰাৰ পাছত একেদিনাই বিয়লি ৪ বজাৰ পৰা ভোট গণনা কৰা হ'ব বুলি প্ৰকাশ পাইছে। উল্লেখযোগ্য যে মনোনয়ন পত্ৰ দাখিলৰ কালি অন্তিম দিনটোলৈ উপ-সভাপতি পদৰ বাবে ১৫ গৰাকী, জ্যেষ্ঠ উপ-সভাপতি পদৰ বাবে ৫ গৰাকী, যুটীয়া সম্পাদকৰ বাবে ১৬ গৰাকী সহকাৰী সম্পাদকৰ বাবে ১২ গৰাকী আৰু কাৰ্যনিৰ্বাহক সদস্য পদৰ বাবে ৯গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। এইসকলৰ মাজত যুটীয়া সম্পাদক পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা এগৰাকী মহিলা প্ৰাৰ্থীও আছে।

oooooooo

পৰ্যটকৰ বাবে অহা পহিলা অক্টোবৰৰ পৰা বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰা হ'ব। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰ সঞ্চালক তথা মুখ্য বন সংৰক্ষণক ড° চি ৰমেশে এই কথা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে বাৰিষাৰ বাবে চলিত বৰ্ষৰ যোৱা ৫ জুনৰ পৰা মানাহ ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে বন্ধ কৰি ৰখা হৈছিল।

oooooooo

ৰাজ্যৰ অগ্ৰণী শিক্ষানুষ্ঠান কটন বিশ্ববিদ্যালয়ে ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যাৰ্পণ পৰিষদৰ মূল্যায়নত এ গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। বিশ্ববিদ্যালয় হিচাপে ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যাৰ্পণ পৰিদষৰ দ্বাৰা প্ৰথম চক্ৰৰ মূল্যায়নতে এ গ্ৰেড পোৱা কটন বিশ্ববিদ্যালয় হৈছে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন শিক্ষানুষ্ঠান।

oooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত উত্তৰ পূৰ্বাঞ্চলৰ ৰেলৱে'ৰ আধুনিকীকৰণ সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত উত্তৰ পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মা সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। আগ্ৰহী শ্ৰোতাই অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰত ফোন কৰি শ্ৰী শৰ্মাৰ সৈতে কথা পাতিব পাৰিব।

oooooooo

ৰাজ্য চৰকাৰে এণ্ড্ৰিউ ইউল এণ্ড কোম্পানীৰ অধীনস্থ চাহ বাগিচাসমূহৰ অচলাৱস্থা দূৰীকৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত কালি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অতিথিশালাত উদ্যোগ মন্ত্ৰী বিমল বৰাৰ অধ্যক্ষতাত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়।

এই বৈঠকত কোম্পানীটোৰ অধীনস্থ টিংখাং আৰু ৰাজগড় চাহ বাগিচাকে ধৰি ৰাজ্যখনৰ কেইবাখনো বাগিচাত কৰ্তৃপক্ষই কৰ্মচাৰীৰ দৰমহা, শ্ৰমিকৰ মজুৰি আৰু ৰেচন আদায় দিব নোৱাৰাৰ ফলত বাগিচাকেইখনত উদ্ভৱ হোৱা অচলাৱস্থাৰ বিষয়ে আলোচনা কৰা হয়। বৈঠকত পৰৱৰ্তী ১০ দিনৰ ভিতৰত শ্ৰমিক সংগঠনসমূহৰ সৈতে আলোচনা কৰি বোনাছৰ সমস্যাটো সমাধান কৰাৰ বাবে কোম্পানীৰ অধ্যক্ষক নিৰ্দেশ দিয়া হয়। ৰাজ্য চৰকাৰে অন্যান্য চাহ বাগিচাসমূহক অহা ১৫ দিনৰ ভিতৰত বোনাছ প্ৰদানৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়াৰ পৰিপ্ৰেক্ষিতত এণ্ড্ৰিউ ইউল এণ্ড কোম্পানীকো একেই ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে সংশ্লিষ্ট উৰ্ধতন কৰ্তৃপক্ষৰ সৈতে আলোচনাৰ জৰিয়তে বাগিচাকেইখন চলোৱাৰ বাবে পুঁজিৰ ব্যৱস্থা কৰিবলৈকো কালিৰ বৈঠকত কোম্পানী কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হয়। উল্লেখযোগ্য যে, ৰাজহুৱা খণ্ডৰ অধীনস্থ কোম্পানীটোৰ বাগিচাকেইখনত উদ্ভৱ হোৱা সমস্যাৰ ফলত শ্ৰমিকসকলে আন কামৰ সন্ধান কৰিবলগীয়া হোৱাত চাহপাত তোলাৰ পৰিৱৰ্তে কাচিৰে কাটি পেলাবলগীয়া হৈছে। কালিৰ বৈঠকত সাংসদ কামাখ্যা প্ৰসাদ তাছা, ৰামেশ্বৰ তেলী, অসম পৰ্যটন নিগমৰ অধ্যক্ষ ৰিতুপৰ্ণ বৰুৱা আৰু ৰাজ্য চৰকাৰৰ মুখ্য সচিব ড° বৰি কোটাৰ লগতে এণ্ড্ৰিউ ইউল এণ্ড কোম্পানীৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক অনন্ত মোহন সিঙেও অংশগ্ৰহণ কৰে।

oooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৈছে যে ৰাজ্যত অহা ২ অক্টোবৰৰ পৰা ৩৯ খন উপ-জিলা কাৰ্যকৰী হৈ উঠিব। সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তৃণমূল পৰ্যায়ত জনসাধাৰণ কেন্দ্ৰিক ফলপ্ৰসু প্ৰশাসন ব্যৱস্থা গঢ়ি তোলাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সেই উদ্দেশ্যে ৰাজ্যিক কেবিনেটে অহা ২ অক্টোবৰৰ পৰা ৮ অক্টোবৰলৈ প্ৰথম পৰ্যায়ত ৩৯ খন উপ জিলা কাৰ্যকৰী কৰি তোলাত অনুমোদন জনাইছে। ইয়াৰ ফলত বিধানসভা সমষ্টিভিত্তিক উপায়ুক্তৰ কাৰ্যালয় স্থাপনৰ পথ প্ৰশস্ত হ'ব।

oooooooo

অসম চৰকাৰৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানে ৰাজ্যৰ বিভিন্ন চিকিৎসালয়ত ৰাষ্ট্ৰীয় নেত্ৰদান পষেক পালন কৰিছে। প্ৰতি বছৰে ২৫ আগষ্টৰ পৰা ৮ ছেপ্তেম্বৰলৈ দেশজুৰি এই পষেক পালন কৰা হয়। এই উপলক্ষে নেত্ৰদানৰ দৰে মহান কৰ্মত অংশীদাৰ হ'বলৈ অসম চৰকাৰৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানে আগ্ৰহীসকলক নেত্ৰ দানৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, শ্ৰীমন্ত শংকৰদেৱ নেত্ৰালয়কে ধৰি কেইবাখনো চকু চিকিৎসালয়ৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

oooooooo

লখিমপুৰত অনুষ্ঠিত অসম কেবিনেট বৈঠকত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱ জন্মক্ষেত্ৰ উন্নয়ন প্ৰকল্পৰ বাবে ১৫ কোটি টকা অনুমোদন জনোৱা বিষয়টোত উৎফুল্লিত হৈ পৰিছে গুৰুজনাৰ অনুগামী ভকত-বৈষ্ণৱসকল। উল্লেখযোগ্য যে যোৱা ৩ ছেপ্তেম্বৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শ্ৰীশ্ৰী অনিৰুদ্ধ

দেৱৰ জন্মস্থান পৰিদৰ্শন কৰি উপস্থিত ৰাইজক শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ কলাক্ষেত্ৰৰ দৰে অনিৰুদ্ধ দেৱৰ ক্ষেত্ৰ নিৰ্মাণ কৰাৰ কথা ঘোষণা কৰিছিল। মুখ্যমন্ত্ৰী ড০ শৰ্মাই লগতে কৈছিল যে ফেব্ৰুৱাৰী-মাৰ্চ মাহৰ ভিতৰত ধলপুৰৰ বালিকুঞ্চি গ্ৰামত এই নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰা হ'ব। ৰাজ্য চৰকাৰৰ কেবিনেটত এই প্ৰকল্প অনুমোদন লাভ কৰাত সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজ, শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱ জন্মস্থান উন্নয়ন সমিতিয়ে মুখ্যমন্ত্ৰীক কৃতজ্ঞতা জনাইছে।

০০০০০০০০

ভাৰতৰ কপিল পৰমাৰে কালি ব্ৰাজিলৰ এলিয়েলটন ডি অলিভেৰিয়াক ১০-০ ফলাফলত পৰাস্ত কৰি পেৰিছ পেৰালিম্পিকৰ পুৰুষৰ পেৰা জুডোৰ জে ওৱান শিতানৰ ৬০ কিলোগ্ৰাম ওজন শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰে। পেৰালিম্পিকৰ ইতিহাসত জুডোত  ভাৰতৰ এয়া প্ৰথমটো পদক। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে খেলুৱৈগৰাকীক অভিনন্দন জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে সামাজিক মাধ্যমযোগে কৈছে যে কপিলে অলেখ বাধা নেওচি পেৰালিম্পিকৰ ইতিহাসত জুডোত পদক অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপে ইতিহাস ৰচনা কৰিছে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ বাৰ্তাত কৈছে যে খেলুৱৈগৰাকীয়ে তেওঁৰ নিষ্ঠা, একাগ্ৰতা আৰু দক্ষতাৰ বলত এই সাফল্য অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। আনহাতে, প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে এয়া সঁচাকৈ স্মৰণীয় প্ৰদৰ্শন আৰু বিশেষ পদক।

প্ৰতিযোগিতাৰ আজি নৱম দিনা ভাৰতীয় খেলুৱৈসকল এথলেটিকছ্ আৰু পাৱাৰ লিফ্টিং শিতানত শ্ৰেষ্ঠত্ব অৰ্জনৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব। কস্তুৰি ৰাজামণিয়ে মহিলাৰ পাৱাৰ লিফ্টিঙত ৬৭ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত দেশক প্ৰতিনিধিত্ব কৰাৰ বিপৰীতে প্ৰবীণ কুমাৰে পুৰুষৰ হাই জাম্পত টি-৪৪, টি-৬২, টি-৬৪ শিতানৰ ফাইনেলত ভাগ ল'ব। একেদৰে দিপেশ কুমাৰে পুৰুষৰ জেভলিন থ্ৰ'ৰ এফ-৫৪ শিতানৰ ফাইনেলত পদক জয়ৰ চেষ্টা চলাব। ভাৰত বৰ্তমানলৈকে ৫টা সোণ, ৯টা ৰূপ আৰু ১১টা ব্ৰঞ্জসহ মুঠ ২৫টা পদকেৰে প্ৰতিযোগিতাৰ পদক তালিকাত যোড়শ স্থানত আছে।

০০০০০০০০

নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ে চলিত সুব্ৰত কাপ আন্তৰ্জাতিক ফুটবল প্ৰতিযোগিতাৰ ল'ৰাৰ ১৭ বছৰ অনুৰ্ধৰ অন্তিম গ্ৰুপ খেলত জয়লাভ কৰিছে। দলটোৱে উত্তৰাখণ্ডৰ ডেৰাডুনৰ মহাৰাণা প্ৰতাপ ক্ৰীড়া মহাবিদ্যালয়ক ৮-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। বিজয়ী দলৰ হৈ বিলিফাং বড়ো আৰু আকাশ লোহাৰে তিনিটাকৈ গ'ল দিয়ে। আনহাতে, মদন ৰায় চাংচানে এটাকৈ গ'ল কৰে। উল্লেখযোগ্য যে গ্ৰুপ 'এ'ত স্থান লাভ কৰা নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ে চাৰিখন খেলৰ ৩ খনত জয়লাভ কৰিছে। প্ৰতিযোগিতাৰ সূচী অনুসৰি মুঠ ৮ টা গ্ৰুপৰ প্ৰতিটোৱে চেম্পিয়ন দলটোৱে কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। শ্ৰী লংকাই আজি অন্তিম গ্ৰুপ মেচত মুম্বাইৰ ছিংগাপুৰ আন্তঃৰাষ্ট্ৰীয় বিদ্যালয়ৰ বিৰুদ্ধে খেলিব।

০০০০০০০০

তেজপুৰ দলে অসম ফুটবল সন্থাৰ গোবিন্দৰাম মৌৰ আৰু বানাৰসী দেৱী সোঁৱৰণী আন্তঃজিলা ছিনিয়ৰ মহিলা ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত খিতাপ দখল কৰিছে। ডবকা নেহৰু ময়দানত কালি অনুষ্ঠিত ফাইনেল খেলত তেজপুৰ দলে ডিব্ৰুগড়ক ৪-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ফাইনেল খেলত কালি বঢ়মপুৰ সমষ্টিৰ বিধায়ককে ধৰি ডবকা ক্ৰীড়া সন্থাৰ সভাপতি তথা অসম ক্ৰীড়া সন্থাৰ বিষয়ববীয়া আৰু কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০০

সমাপ্ত